# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সোঁৱৰণত সাহিত্য অকাডেমিৰ উদ্যোগত দিল্লীত ৰাষ্ট্ৰীয় আলোচনাচক্ৰ



*আলোচনাচক্ৰত অংশগ্ৰহণকাৰীসকলৰ একাংশ*

**'আমাৰ অসম'ৰ মহানগৰৰ বিশেষ প্ৰতিবেদক, ২০ নৱেম্বৰ ঃ** বিশিষ্ট সাহিত্যিক তথা সাহিত্য অকাডেমিৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সাহিত্য অকাডেমিৰ উদ্যোগত নতুন দিল্লীত মঙলবাৰ আৰু বুধবাৰে দুদিনীয়াকৈ এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত হয়। সাহিত্য অকাডেমিৰ সভাপতি ড° মাধৱ কৌশিকৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা চক্ৰৰ উদ্বোধনী অধিৱেশনত বিশেষ অতিথি হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কন্যা জুন ভট্টাচাৰ্য উপস্থিত থাকে। আলোচনাচক্ৰত মূল ভাষণ প্ৰদান কৰে অধ্যাপক প্ৰদীপ জ্যোতি মহন্ত আৰু অসমীয়া পৰামৰ্শদাতা ব'ৰ্ডৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই। সামৰণি ভাষণ প্ৰদান কৰে সাহিত্য অকাডেমিৰ উপ-সভাপতি অধ্যাপক কুমুদ শৰ্মাই। সাহিত্য অকাডেমিৰ সম্পাদক ড° কে শ্ৰীনিবাস ৰাওয়ে আলোচনা চক্ৰত ভাগ লোৱা সকলোকে আদৰণি জনায়। ভাষণ প্ৰসংগত দিগন্ত বিশ্ব শৰ্মাই তেওঁৰ ভাষণত কয় বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আধুনিক অসমীয়া সাহিত্যৰ এজন সৃষ্টিকৰ্তা আছিল। নতুন সাহিত্যিকৰ বাবে তেওঁ প্ৰেৰণাদায়ক হৈয়েই থাকিব। তেনেদৰে অধ্যাপক প্ৰদীপ জ্যোতি মহন্তই বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ বিশাল সাহিত্যিক কৰ্মৰাজিৰ আলোকপাত কৰি কয় তেওঁৰ দৃষ্টিৰ পৰা অসমৰ সমাজ জীৱনৰ প্ৰতিটো বস্তুৱেই হেৰাই যোৱা নাছিল। সদায় স্থানীয় সামাজিক বিষয়ৰ সৈতে তেওঁ জড়িত হৈ আছিল আৰু সাহিত্যৰ জৰিয়তে তেওঁৰ সমগ্ৰ সমাজখনক অন্ধকাৰৰ পৰা পোহৰলৈ আনিছিল। আনহাতে আলোচনাচক্ৰৰ প্ৰথম অধিৱেশনত অধ্যক্ষতা কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়াই। দুয়োদিনৰ অধিৱেশনত অধ্যাপিকা কৰবী ডেকা হাজৰিকা, বিনীতা বৰা দেৱচৌধুৰী, মলয়া খাউণ্ড আৰু ময়ূৰ বৰাই অংশগ্ৰহণ কৰে।